**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000
**Date : 08-07-2026** **Time : 1800 Hrs**
***Assamese Evening Bulletin***
**----------------------------**

০০০০০০০

১। বিধানসভাৰ অধিৱেশনৰ তৃতীয় দিনা কেইবাটাও গুৰুত্বপূৰ্ণ বিষয় আলোচনা।

২। উৰিয়ামঘাটৰ সীমামুৰীয়া গাঁৱত গৃহ কৰ সংগ্ৰহৰ ঘটনাৰ সৈতে একাংশ দুস্কৃতিকাৰীহে জড়িত বুলি মন্ত্ৰী পিযুষ হাজৰিকাৰ প্ৰকাশ।

৩। কেন্দ্ৰীয় চৰকাৰৰ এটা উচ্চস্তৰীয় প্ৰতিনিধি দলৰ ধেমাজি জিলাৰ জোনাইৰ শেহতীয়া বান পৰিস্থিতি পৰিদৰ্শন। ***আৰু***

৪। প্ৰধানমন্ত্ৰী অনুসূচিত জাতি অভ্যূদয় যোজনাৰ অধীনত ৰাজ্যৰ কেইবাখনো জিলাৰ আত্মসহায়ক গোটৰ মাজত বিত্তীয় সাহায্য বিতৰণ।

০০০০০০০

অসম বিধানসভাৰ অধিৱেশনৰ আজি তৃতীয় দিনাৰ কাৰ্যক্ৰমণিকাত কেইবাটাও গুৰুত্বপূৰ্ণ বিষয় আলোচনা কৰা হয়। বিশেষকৈ বিৰোধী বিধায়ক ৰেকিবুদ্দিন আহমেদে অবৈধ দখল সন্দৰ্ভত কৰা প্ৰশ্নৰ উত্তৰত সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী অতুল বৰাই সীমান্তৱৰ্তী ৰাজ্যসমূহে দখল কৰা অসমৰ ভূমিৰ তথ্য সদনত সদৰি কৰে। মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰা অনুসৰি অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মেঘালয় আৰু মিজোৰামে অসমৰ ভূমি অবৈধ দখল কৰি আহিছে। চুবুৰীয়া ৰাজ্যসমূহৰ লগত চলি থকা দীৰ্ঘদিনীয়া সীমা বিবাদৰ লগতে অবৈধভাৱে দখল কৰি থকা অঞ্চলসমূহ দখলমুক্ত কৰিবলৈ ৰাজ্য চৰকাৰে আলোচনাৰ মাধ্যমেৰে বহুখিনি আগবাঢ়িছে বুলি তেওঁ প্ৰকাশ কৰে। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰো দায়িত্বত থকা মন্ত্ৰী শ্ৰীবৰাই প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীনৰ অধীনত ৰাজ্যখনত ২০২৫-২৬ বিত্তীয় বৰ্ষত ৩৪ লাখ ৯৯ হাজাৰ ১৪৪ টা পৰিয়ালৰ জৰীপ কৰা হৈছে বুলি মন্তব্য কৰে। বিৰোধী বিধায়ক তানজিল হুছেইনৰ প্ৰশ্নৰ উত্তৰ দি তেওঁ কয় যে যোগ্য হিতাধিকাৰীসকলক প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীনৰ গৃহ অনুমোদন দি নিৰ্মাণকাৰ্য শীঘ্ৰে আৰম্ভ কৰা হ'ব।

অসম চুক্তি ৰূপায়ণ বিভাগৰো দায়িত্বত থকা মন্ত্ৰী শ্ৰীবৰাই সত্ৰৰ মাটি বেদখল সন্দৰ্ভতো এইদৰে মন্তব্য আগবঢ়ায়।।

বাইট- বৰা

বিধায়ক চক্ৰধৰ গগৈৰ প্ৰশ্নৰ উত্তৰত মন্ত্ৰী শ্ৰীবৰাই গুৱাহাটীৰ পশ্চিম বৰাগাওঁত ছহিদ স্মাৰক ক্ষেত্ৰ আৰু উদ্যান ক্ষেত্ৰৰ নিৰ্মাণৰ দ্বিতীয় পৰ্যায়ৰ কাম চলি থকা বুলিও প্ৰকাশ কৰে।

ইপিনে, জলসম্পদ বিভাগে বৰ্তমানলৈ ৪ হাজাৰ ৮০০ কিলোমিটাৰ মথাউৰি নিৰ্মাণ কৰিছে বুলি জলসম্পদ বিভাগৰ মন্ত্ৰী সুশান্ত বৰগোহাইয়ে সদনত মন্তব্য কৰে। বিধায়ক ভূপেন ৰায়ৰ প্ৰশ্নৰ উত্তৰত মন্ত্ৰী শ্ৰীবৰগোহাইয়ে কয় যে নিৰ্মাণ কৰা ৪ হাজাৰ ৮০০ কিলোমিটাৰ মথাউৰিৰ বৰ্তমানলৈ প্ৰায় ১৮০০ কিলোমিটাৰ ওখ আৰু সবলীকৰণ কৰা হৈছে। মথাউৰি মেৰামতি বা পুনৰ নিৰ্মাণ কৰিবলৈ প্ৰায় ৩ হাজাৰ কিলোমিটাৰ বাকী আছে বুলি তেওঁ মন্তব্য কৰে।

০০০০০০০

অসমত মুঠ ২৭ লাখ ৫৮ হাজাৰ ৭৫৭ হেক্টৰ কৃষিভূমি আছে আৰু ইয়াৰে ৬ লাখ ৫২ হাজাৰ হেক্টৰ ভূমি জলসিঞ্চন ব্যৱস্থাই সামৰি লৈছে। বিধানসভাত আজি বিধায়ক বেবী বেগমৰ এটা প্ৰশ্নৰ লিখিত উত্তৰত কৃষি আৰু জলসিঞ্চন বিভাগৰ মন্ত্ৰী মন্ত্ৰী পীযুষ হাজৰিকাই এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে ৰাজ্যত মুঠ ৩ হাজাৰ ৫১০খন জলসিঞ্চন আঁচনি আছে আৰু ২০২৫-২৬ বিত্তীয় বৰ্ষত মেৰামতি শিতানৰ অধীনত ৩৯২খন আঁচনি পুনৰ কাৰ্যক্ষম কৰি তোলা হৈছে। পৰৱৰ্তী বিত্তীয় বৰ্ষত বাকী থকা আঁচনিসমূহ পৰ্যায়ক্ৰমে কাৰ্যক্ষম কৰাৰ বাবে ব্যৱস্থা লোৱা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

ইপিনে, ৰাজ্যত পঞ্জীয়নভুক্ত কৃষকৰ সংখ্যা সন্দৰ্ভত বিধায়ক জাকিৰ হুছেইন সিকদাৰৰ এটা প্ৰশ্নৰ উত্তৰত কৃষিমন্ত্ৰীগৰাকীয়ে কয় যে অসম চৰকাৰৰ অৰ্থনীতি আৰু পৰিসংখ্যা বিভাগৰ কৃষি লোকপিয়ল অনুসৰি ৰাজ্যত ২৭ লাখ ৪১ হাজাৰ ৭১১টা কৃষক পৰিয়াল আছে। তেওঁ কয় যে ইয়াৰে পঞ্জীয়নভুক্ত কৃষকৰ সংখ্যা হৈছে ১৩ লাখ দুহেজাৰ ২৪০ আৰু প্ৰধানমন্ত্ৰী কিষাণ আঁচনিৰ অধীনত বৰ্তমানলৈকে ১৮ লাখ ৫৯ হাজাৰ ৫২৪জন কৃষকক তালিকাভুক্ত কৰা হৈছে।

০০০০০০০

কেন্দ্ৰীয় চৰকাৰৰ এটা উচ্চস্তৰীয় প্ৰতিনিধি দলে আজি ধেমাজি জিলাৰ জোনাইৰ শেহতীয়া বান পৰিস্থিতি পৰিদৰ্শন কৰি ক্ষয়-ক্ষতিৰ বুজ লয়। দলটোৱে বানবিধবস্ত অৰুণ চাপৰি, মধুপুৰ, মাজৰবাৰী, আনন্দ নগৰ, চিমেন নদীৰ ৰে'লৰে দলং, লেকু নৈ, কেমি দলং আদিকে ধৰি বহুকেইটা অঞ্চল পৰিদৰ্শন কৰি বানত ক্ষয়-ক্ষতিৰ বুজ লয়। প্ৰতিনিধি দলটোৱে স্থানীয় লোকসকলৰ সৈতে মত-বিনিময় কৰি তেওঁলোকৰ সমস্যাৰ বিষয়েও আলোচনা কৰে। তেওঁলোকে লগতে খহনীয়া প্ৰতিৰোধ আৰু ক্ষতিগ্ৰস্ত অঞ্চলৰ সুৰক্ষাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ আশ্বাস দিয়ে। বানত গৃহহীন হৈ পৰা পৰিয়াল আৰু তেওঁলোকৰ জীৱন জীৱিকা পুনৰ স্বাভাৱিক কৰাৰ বাবে ল'বলগীয়া ব্যৱস্থাসমূহৰ বিষয়েও প্ৰতিনিধি দলটোৱে আলোচনা কৰে। দলটোক লখিমপুৰৰ সাংসদ প্ৰদান বৰুৱা, জোনাইৰ বিধায়ক ভূবন পেগু, জিলা আয়ুক্ত প্ৰমুখ্যে অন্যান্য বিষয়াসকলে সংগ দিয়ে। সাংসদ প্ৰদান বৰুৱাই  চিমেন নৈৰ বাঢ়নী পানীয়ে ক্ষতিগ্ৰস্ত কৰা ৰে'ল দলঙৰ অংশটো পুনৰনিৰ্মাণ কৰাত কিছু সময়ৰ প্ৰয়োজন হ'ব বুলি সাংবাদিকৰ আগত প্ৰকাশ কৰে।

বাইট

০০০০০০০

আজি বিয়লি ভাগত অহা এজাক বৰষুণৰ ফলত গুৱাহাটী মহানগৰীৰ মালিগাঁও, হাতীগাওঁ, বেলতলা, চানমাৰী, বৰাগাওঁ আদিকে ধৰি বিভিন্ন অঞ্চল কৃত্ৰিম বানৰ কবলত পৰিছে। কৃত্ৰিম বানৰ ফলত সাধাৰণ লোকসকল যাতায়াতৰ ক্ষেত্ৰত অসুবিধাৰ সন্মুখীন হ'বলগীয়া হৈছে। ধাৰাষাৰ বৰষুণৰ ফলত যোৰাবাটৰ ৰাষ্ট্ৰীয় ঘাইপথ সম্পূৰ্ণৰূপে জলমগ্ন হৈ পৰাত উজনি -নামনি তথা মেঘালয়ৰ সৈতে পথ যোগাযোগ বিচ্ছিন্ন হৈছে।

০০০০০০০

প্ৰধানমন্ত্ৰী অনুসূচিত জাতি অভ্যুদয় যোজনাৰ অধীনত ৰাজ্যৰ কেইবাখনো জিলাৰ আত্মসহায়ক গোটৰ মাজত বিত্তীয় সাহায্য বিতৰণ কৰা হয়। কামৰূপ জিলাৰ অনুসূচিত জাতিৰ ১৫০টা আত্মসহায়ক গোটক এই আঁচনিৰ অধীনত ২৫ হাজাৰৰ পৰা ৫০ হাজাৰ টকাকৈ বিত্তীয় সাহায্য প্ৰদান কৰা হয়। আমিনগাঁৱৰ বায়োটেক উদ্যানৰ সভাকক্ষত এই উপলক্ষে আয়োজিত অনুষ্ঠানত কামৰূপ জিলা উন্নয়ন আয়ুক্ত সুশান্ত দত্ত মুখ্য অতিথি হিচাপে আৰু অনুসূচিত জাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ সঞ্চালকালয়ৰ সচিব ডাঃ কুলশ্ৰী নাথ বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে।

মৰিগাঁও জিলাতো আজি প্ৰধানমন্ত্ৰী অনুসূচিত জাতি অভ্যুদয় যোজনাৰ অধীনৰ হিতাধিকাৰীসকলৰ মাজত বিত্তীয় সাহায্য বিতৰণ কৰা হয়। ইয়াৰ জৰিয়তে অনুসূচিত জাতিৰ মহিলাসকলৰ জীৱিকা, আত্মনিয়োজন তথা আৰ্থসামাজিক সবলীকৰণৰ লক্ষ্য লোৱা হৈছে। মৰিগাঁও জিলা পুঁথিভৰাল প্ৰেক্ষাগৃহত এই কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি আত্মসহায়ক গোটসমূহে প্ৰস্তুত কৰা বিভিন্ন আকৰ্ষণীয় সামগ্ৰীৰ এখন প্ৰদৰ্শনীৰ আয়োজন কৰে। জিলা আয়ুক্ত অনামিকা তিৱাৰীকে ধৰি অন্যান্য বিষয়াসকলে প্ৰদৰ্শনী পৰিদৰ্শন কৰি মহিলাসকলে প্ৰস্তুত কৰা সামগ্ৰী মানৰ প্ৰশংসা কৰে। তেওঁলোকে লগতে মহিলাসকলৰ এনে উদ্যোগ অধিক সম্প্ৰসাৰিত কৰি বজাৰমুখী কৰাৰ বাবে উৎসাহিত কৰে।

০০০০০০০

ডিমা হাছাও জিলাত পৰ্যটকৰ সংখ্যা বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি ডিমা হাছাও স্বায়ত্ত শাসিত পৰিষদে পৰ্যটন আৰু সংস্কৃতি বিভাগৰ সহযোগত চলিত মাহৰ প্ৰতি শুকুৰ আৰু শনিবাৰে জিলাখনৰ বিভিন্ন পৰ্যটনস্থলীত পৰম্পৰাগত মহোৎসৱ আয়োজনৰ সিদ্ধান্ত লৈছে। হাফলঙৰ পৰ্যটক তথ্য কেন্দ্ৰত অনুষ্ঠিত এখন সংবাদ মেলত কালি ডিমা হাছাও পৰ্যটনৰ অধ্যক্ষ জছৰিংদাও

ফংল'ই এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে গ্ৰীষ্মবন্ধৰ সময়ত জিলাখনত পৰ্যটকৰ সংখ্যা যথেষ্ট বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত পৰ্যটনক অধিক আকৰ্ষণীয় কৰি তোলাৰ উদ্দেশ্যে এই মহোৎসৱৰ আয়োজন কৰা হৈছে। হাফলং হ্ৰদ, ডিমা হাছাও ভিউ পইণ্ট, উমৰাংছ' গল্ফ ক'ৰ্ছ আৰু জাতিংগাৰ দৰে জনপ্ৰিয় পৰ্যটনস্থলীত পৰম্পৰাগত মহোৎসৱ অনুষ্ঠিত কৰা হ'ব বুলি অধ্যক্ষগৰাকীয়ে জানিবলৈ দিয়ে। এই মহোৎসৱত বিভিন্ন জনগোষ্ঠীৰ পৰম্পৰাগত খাদ্য, সাজ-পোছাক, হস্তশিল্পৰ সামগ্ৰী আদিৰ বিপণী থাকিব। তদুপৰি, বিভিন্ন জনজাতীয় সম্প্ৰদায়ৰ লোকনৃত্য আৰু সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হ'ব। ইয়াৰ জৰিয়তে স্থানীয় উদ্যোগী শিল্পী আৰু ব্যৱসায়ীসকলক বিপণনৰ সুযোগ প্ৰদান কৰি আৰ্থিক বিকাশত সহায়ৰ লগতে জিলাখনৰ পৰ্যটন উদ্যোগ শক্তিশালী হৈ উঠিব বুলি আশা কৰা হৈছে।

০০০০০০০

ৰাজ্যৰ বিভিন্ন জিলাত আজি মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ হিতাধিকাৰীসকলৰ বাবে উদ্যমিতা বিকাশ কাৰ্যসূচীৰ প্ৰশিক্ষণ আৰম্ভ হৈছে। যোৰহাট জিলাৰ ডি চি বি ছোৱালী মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত কাজিৰঙাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছাই এই প্ৰশিক্ষণ কাৰ্যসূচী উদ্বোধন কৰে। **আত্মনিৰ্ভৰ অসম ঃ স্বাৱলম্বনৰ দিশে আমাৰ যাত্ৰা** শীৰ্ষক বিষয়বস্তুৰ আধাৰত আয়োজিত এই কাৰ্যসূচী উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগ তথা ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগ মন্ত্ৰালয়ৰ যুটীয়া প্ৰচেষ্টাত ৰূপায়ণ কৰা হৈছে। অনুষ্ঠানত দিয়া ভাষণত সাংসদ তাছাই ৰাজ্যৰ অৰ্থনৈতিক দিশ শক্তিশালী কৰাৰ ক্ষেত্ৰত যুৱ উদ্যমীসকলৰ ভূমিকাক আলোকপাত কৰে। অহা ৩০ জুলাইলৈ চলিবলগীয়া এই প্ৰশিক্ষণ কাৰ্যসূচীৰ অধীনত ক্ষুদ্ৰ উদ্যমীসকলক ব্যৱসায় বৃদ্ধি আৰু ব্যৱস্থাপনা সংক্ৰান্তীয় কৌশলসমূহৰ বিষয়ে সবিশেষ জ্ঞান প্ৰদান কৰা হ'ব।

কোকৰাঝাৰ জিলাৰ বিনেশ্বৰ ব্ৰহ্ম অভিযান্ত্ৰিক মহাবিদ্যালয়ত অনুষ্ঠিত উদ্যমিতা বিকাশ কাৰ্যসূচীত জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তী, মহাবিদ্যালয়খনৰ অধ্যক্ষ অধ্যাপক কমল কুমাৰ ব্ৰহ্ম আৰু জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ সঞ্চালক প্ৰধান কিশোৰ গুপ্তা উপস্থিত থাকে। জিলা আয়ুক্তগৰাকীয়ে হিতাধিকাৰীসকলক এই প্ৰশিক্ষণৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰি উদ্যমিতা সম্পৰ্কীয় দক্ষতা আহৰণ কৰিবলৈ আৰু স্বনিয়োজনৰ জৰিয়তে বহনক্ষম জীৱন ধাৰণৰ সুযোগ সৃষ্টি কৰিবলৈ উৎসাহিত কৰে। শ্ৰীচক্ৰৱৰ্তীয়ে অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত উদ্যমিতাৰ প্ৰয়োজনীয়তা সন্দৰ্ভত আলোকপাত কৰি অংশগ্ৰহণকাৰীসকলক এই প্ৰশিক্ষণ কাৰ্যসূচীত লাভ কৰা জ্ঞান আৰু দক্ষতা নিজৰ উদ্যোগ স্থাপন আৰু ইয়াৰ সম্প্ৰসাৰণৰ দিশত ব্যৱহাৰ কৰিবলৈ আহ্বান জনায়।

০০০০০০০

সমাপ্ত